# বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেম

পিএইচ. ডি. ডিগ্ৰীৰ বাবে দাখিল কৰা
গৱেষণা গ্ৰন্থ


চিত্ৰা দুৱৰা
অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও, অসম

২০২০ বৰ্ষ

# BINANDA CHANDRA BARUĀR SĀHITYAT SWADESHPREM

**Thesis submitted in partial fulfilment of the requirements for the award of the Degree of Doctor of Philosophy (Ph.D.)**

**Chitra Duarah**
**Assamese Department**
**2020**

# সপ্তম অধ্যায়

## ৭.০ উপসংহাৰ

বিনন্দ চন্দ্ৰ বৰুৱা এজন প্ৰৱল স্বদেশপ্ৰেমিক। সাহিত্যিক বিনন্দ চন্দ্ৰ বৰুৱাৰ সমগ্ৰ সাহিত্যৰাজিৰ মূল বিষয়বস্তু হৈছে স্বদেশপ্ৰেম। জীৱন ব্যাপি সাহিত্য সাধনা কৰা বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত প্ৰতিফলিত হোৱা জাগ্ৰত স্বদেশানুৰাগে ৰোমাণ্টিক যুগৰ সাহিত্যক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছিল। বিনন্দ চন্দ্ৰ বৰুৱাই সৃষ্টি কৰা বিস্তৃত সাহিত্যকৰ্মৰ মূল উদ্দেশ্য সন্দৰ্ভত তেওঁৰ নিজৰ মন্তব্য এনেধৰণৰ —

> মই লিখি ভাল পাওঁ কাৰণে লিখোঁ, মোৰ লিখাই যদি কাৰোবাক মানুহ হোৱাত অলপো সহায় কৰে তেন্তে মোৰ লিখাত সাৰ্থকতা আছে বুলি ভাবিম। পঢ়ক-নপঢ়ক মই লিখোঁ — দেশৰ উঠি অহা বংশধৰসকললৈ, তেওঁবিলাকে শান্তিপূৰ্ণ শৃংখলিত উপায়েৰে নিজা ঐতহ্য উপলব্ধি কৰি ধুমুহাৰ দৰে মংগল সূচাই জীৱন যুদ্ধত আগবাঢ়িবলৈ। মই লিখোঁ, মোৰ উঠি অহা ভাই-ভনী, বংশধৰসকলৰ সমাজখন যেন আদৰ্শৰ সমাজ হয়। আমাৰ সমাজখন যেন মানুহৰ সকলো সুন্দৰ গুণৰ অভাৱ নহয়। যি দেশ জ্ঞানৰ চৰ্চাই আগ ঠাই লাভ কৰি আছে, সেই দেশৰ লোকে যেন পৰাধীনতাৰ পাপত লাভ কৰা হীনমনোবৃত্তিবিলাক ত্যাগ কৰি আচল জ্ঞানীৰ কাম কৰাত আগবাঢ়ি যায়।[১]

গতিকে দেখা যায় যে বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যিক জীৱন আৰু সমগ্ৰ সাহিত্যৰাজি সৃষ্টিৰ অন্তৰালত ক্ৰিয়া কৰিছিল, গভীৰ স্বদেশ আৰু স্বজাতিৰ প্ৰতি থকা প্ৰেম আৰু ঐকান্তিক নিষ্ঠাই। সেয়ে অসমীয়া সাহিত্যত স্বদেশপ্ৰেমৰ বিস্তৃতি উপলব্ধি কৰিবলৈ বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰাজিৰ অধ্যয়ন

---

১।'মই লিখোঁ কিয়?', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০৩৯

এক অন্যতম গুৰুত্বপূৰ্ণ বিষয়। গভীৰ অধ্যয়নপুষ্ট বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰ প্ৰতিটো বিভাগতে স্বদেশপ্ৰেম গভীৰ আৰু বিবিধৰূপে বিস্তাৰিত হৈ আছে। ই অত্যন্ত ক্ৰিয়াশীল ৰূপত প্ৰবাহিত। বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্য অসমীয়া সাহিত্যত অজৰ-অমৰ হৈ জিলিকি থকাৰ অন্যতম কাৰণ হৈছে বৰুৱাৰ সাহিত্যৰাজিত প্ৰবাহিত হৈ থকা সুতীব্ৰ স্বদেশপ্ৰেম।

গৱেষণা গ্ৰন্থৰ প্ৰথম অধ্যায়ত স্বদেশপ্ৰেম, স্বদেশপ্ৰেমৰ স্বৰূপ, সংজ্ঞা, কাৰক, জাতীয়তাবাদী চিন্তা আৰু ভাৰতীয় সাহিত্যত স্বদেশপ্ৰেম, উৎস, অসমীয়া সাহিত্যত স্বদেশপ্ৰেম আৰু বিনন্দ চন্দ্ৰ বৰুৱাৰ জীৱন আৰু সাহিত্য-কৃতিৰ সন্দৰ্ভত আলোচনা কৰা হৈছে। দেখা গ'ল স্বদেশপ্ৰেমৰ পৰিসৰ অত্যন্ত বিস্তৃত। স্বদেশপ্ৰেমৰ স্বৰূপ আৰু সংজ্ঞাৰ আধাৰত এই কথা স্পষ্ট যে স্বদেশ বুলিলে কেৱল নিৰ্দিষ্ট এডোখৰ ভূখণ্ডকে নুবুজায়। সেই ভূখণ্ডৰ অন্তৰ্গত ভাষা-সাহিত্য-কলা-কৃষ্টি, ঐতিহ্য-পৰম্পৰা, প্ৰকৃতি, মানুহ, মানুহৰ উত্থান-পতনৰ ইতিহাস সকলোকে সামৰি এক ব্যাপক আৰু সংহত ৰূপক বুজায়। স্বদেশৰ এই সকলো দিশৰ প্ৰতি প্ৰকাশিত গভীৰ অনুৰাগ বা আনুগত্যই হৈছে স্বদেশপ্ৰেম। স্বদেশপ্ৰেম ব্যক্তিৰ জন্মস্বত্ব যদিও স্বদেশপ্ৰেমে এক সাৰ্বজনিক ৰূপ লাভ কৰাত বিভিন্ন কাৰক যেনে — আন্দোলন, বিপ্লৱ, বিদ্ৰোহ, সভা-সমিতি, বিজ্ঞানৰ ন-ন আৱিষ্কাৰ, প্ৰকাশিত আলোচনী ইত্যাদি শক্তিশালী অনুঘটকে প্ৰৱল ৰূপত ক্ৰিয়া কৰে। এই কথাও স্পষ্ট যে পৰাধীন জাতিৰ প্ৰাণত স্বদেশপ্ৰেমে তীব্ৰ আলোড়নৰ সৃষ্টি কৰি জাতীয় জীৱনত তাৰ গভীৰ প্ৰভাৱ বিস্তাৰ কৰি জাতিক পৰাধীনতাৰ পৰা মুক্তি প্ৰয়াসী কৰি গঢ়ি তোলে।

পশ্চিমীয়া সভ্যতা সংস্কৃতিৰ প্ৰভাৱত বংগত যিদৰে নৱজাগৰণ আহিছিল, ঠিক তেনেদৰে অসমতো অসমীয়াৰ প্ৰাণত বংগৰ নৱজাগৰণৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। 'জোনাকী' আলোচনীয়ে সৃষ্টি কৰা সাহিত্যিক আন্দোলন এইক্ষেত্ৰত একক আৰু অনন্য। এই আন্দোলনৰ মূল চালিকাশক্তি আছিল স্বদেশপ্ৰেম। স্বদেশপ্ৰেমক কেন্দ্ৰ কৰি সৃষ্টি হৈছিল ন-ন সাহিত্য। এইক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱাৰ স্থান সকলোতকৈ ওপৰত। বেজবৰুৱাৰ প্ৰতিটো লেখাতেই স্বদেশপ্ৰেম মূৰ্ত হৈ আছে। জাতিক জগোৱা বিবিধ সাহিত্য সৃষ্টি কৰি জাতিটোক ধন্য কৰা সেই সময়ৰ লেখক-সাহিত্যিকসকলৰ অৱদান উল্লেখ কৰা হৈছে। সেইসকলৰ ভিতৰত বিনন্দ চন্দ্ৰ বৰুৱা অন্যতম।

বিনন্দ চন্দ্ৰ বৰুৱাৰ জীৱন আৰু সাহিত্য-কৃতি অধ্যয়নত দেখা গ'ল ৯৪ বছৰীয়া (১৯০১-১৯৯৪) জীৱন কালত সৃষ্টি কৰা বিস্তৃত সাহিত্যৰাজিৰ মূল আধাৰ স্বদেশপ্ৰেম। কবিতা, নাটক, প্ৰবন্ধ, শিশু সাহিত্য, আত্মজীৱনীমূলক ৰচনা, আধ্যাত্মিক দিশৰ পুথি ৰচনা, ব্যঙ্গ ৰচনা ইত্যাদি বিবিধ বিষয়ক বিস্তৃত সাহিত্য কৰ্মেৰে বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যিক জীৱন বৰ্ণাঢ্য। অন্যহাতে বিনন্দ চন্দ্ৰ বৰুৱা এজন গীতিকাৰ আৰু অনুবাদক। কবিতাৰে সাহিত্যিক জীৱন আৰম্ভ কৰা বিনন্দ চন্দ্ৰ বৰুৱাক অসমীয়া কাব্য সাহিত্যত 'ধ্বনি কবি'ৰূপে অধিক জনাজাত। বৰুৱা অসম সাহিত্য সভাৰ এজন অক্লান্ত কৰ্মী আছিল। উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত ৩৩ তম অসম সাহিত্য সভাৰ (১৯৬৬-৬৭) ৰ সভাপতি বিনন্দ চন্দ্ৰ বৰুৱা 'সাহিত্যাচাৰ্য' উপাধিৰে বিভূষিত। শিশু সাহিত্যিক বিনন্দ চন্দ্ৰ বৰুৱাই লাভ কৰিছিল অসম সাহিত্য সভাৰ 'কমলা দেৱী শিশু বঁটা'। অসম চৰকাৰে প্ৰদান কৰা প্ৰথম চামৰ এজন সাহিত্যিক পেঞ্চনাৰ। বিনন্দ চন্দ্ৰ বৰুৱাই 'কেৰপাই শৰ্মা' আৰু 'বিশিষ্টানন্দ' ছদ্মনামেৰেও সাহিত্য চৰ্চা কৰিছিল। অসমীয়া ভাষাত ব্যৱহৃত 'ডাক-পখিলী' শব্দৰ স্ৰষ্টা বিনন্দ চন্দ্ৰ বৰুৱাৰ জীৱন আৰু সাহিত্য কৰ্ম প্ৰৱল স্বদেশপ্ৰেমেৰে সিক্ত।

গৱেষণা গ্ৰন্থৰ দ্বিতীয় অধ্যায়ত বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত প্ৰকাশিত স্বদেশপ্ৰেম আলোচনা কৰা হৈছে। কবিতাৰে জাতীয় গৌৰৱ জীয়াই ৰাখিবলৈ অপ্ৰাণ চেষ্টা কৰা বিনন্দ চন্দ্ৰ বৰুৱাৰ সমগ্ৰ কবিতাৰাজি বিশ্লেষণৰ জৰিয়তে দেখা পোৱা গ'ল — বৰুৱাৰ সাহিত্যকৰ্মৰ এক বিশাল অংশ কবিতাসমূহে আগুৰি আছে। বৰুৱাৰ কবিতাই কেৱল যে পৰাধীন জাতিৰ প্ৰাণতেই স্বদেশচেতনা জাগ্ৰত কৰিছিল এনে নহয়। যুগে যুগে বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্য বিশেষকৈ 'কবিতা'ই মানুহৰ প্ৰাণত স্বদেশপ্ৰেমৰ আলোড়ন সৃষ্টি কৰি স্মৰণীয় হৈ ৰৈছে। বৈচিত্ৰ্যপূৰ্ণ বিষয়বস্তু, সুমধুৰ ধ্বনি ব্যঞ্জনা, চিত্ৰধৰ্মী বৰ্ণনা, উদ্দীপনাময়ী ভাষা ব্যৱহাৰ, কল্পনা আৰু আবেগৰ মধুৰ মিলন আদিৰ জড়িয়তে বৰুৱাৰ কবিতাত স্বদেশপ্ৰেম সুতীব্ৰ ৰূপত প্ৰকাশ পাইছে। স্বদেশৰ বীৰ-বীৰাঙ্গনাৰ ত্যাগ, মহান ঐতিহ্য আৰু স্বদেশৰ শুভ শক্তিৰ আৰাধনা আৰু অতীত ৰোমন্থন বৰুৱাৰ কবিতাৰ প্ৰাণবস্তু। বৰুৱাৰ কবিতাত জাতিৰ প্ৰাণত স্বদেশপ্ৰেম জাগ্ৰত কৰিব পৰা ইতিহাস চেতনা যিদৰে প্ৰবল ঠিক তেনেদৰে প্ৰকৃতি জগত আৰু আধ্যাত্মিক ভাৱ প্ৰকাশেৰে প্ৰকাশ পোৱা স্বদেশপ্ৰেমো প্ৰবল। অন্যহাতে মাতৃভাষা প্ৰীতি আৰু মাতৃভাষাৰ জয়-

জয়কাৰ ৰূপৰ প্ৰতি কবিৰ প্ৰাণৰ আকুলতা অত্যন্ত গভীৰ। মাতৃভাষাৰ দুৰ্বল দিশ দেখি কবিৰ বিষন্নতা লক্ষ্য কৰা যায়। লগে লগে সাৰধান বাণীও নিনাদিত হৈছে এনেদৰে — "সাজু হোৱা নতু আহিছে সৌৱা মহাপ্ৰলয়ৰ ভীষণ দিন।"[২] "গড়গাঁও আজি তাত; জিলিৰ শুনিবা মাত,"[৩] বুলি আক্ষেপ যিদৰে আছে ঠিক তেনেদৰে "নতুন সাজৰ গড়গাঁও"ৰ ছবি অংকণেৰে স্থাপন কৰা আশাবাদো কবিৰ কবিতাত বিৰাজমান।

শতাধিক বছৰৰ কলুষিত কলঙ্কৰ,
শেষ কৰা, বন্ধা মনোবল,
নতুন পৃথিৱী গঢ়া বুকুত আশাৰে ভৰা,
আগবাঢ়ে সেৰকৰ দল,
উলাহতে দেশ তল মল।[৪]

তৃতীয় অধ্যায়ত বিনন্দ চন্দ্ৰ বৰুৱাৰ নাটক আৰু বিনন্দ চন্দ্ৰ বৰুৱাৰ নাটকত স্বদেশপ্ৰেম বিচাৰত দেখা গ'ল বৰুৱাৰ ঐতিহাসিক নাটক 'শৰাইঘাট' স্বদেশপ্ৰেমৰ অমল উৎস। লাচিত বৰফুকনৰ বীৰত্ব, অসমীয়া সেনাৰ ত্যাগ আৰু বীৰত্ব, সমন্বয়ৰ বাৰ্তা, মোগল সেনাপতি ৰামসিংহৰ মুখৰ কথাত অসমীয়া সেনাপতি আৰু সৈন্যবাহিনীৰ স্বদেশপ্ৰেম, সাহসৰ বৰ্ণনাই জাতিৰ প্ৰাণত স্বদেশপ্ৰেম জাগৰণ কৰি যুগে যুগে শৰাইঘাট স্মৰণীয় হৈ ৰৈছে। 'দেশতকৈ মোমাই ডাঙৰ নহয়', লাচিতৰ বীৰত্বপূৰ্ণ কথাই প্ৰতীয়মান কৰি আহিছে স্বদেশতকৈ ডাঙৰ সম্পদ আৰু একো নাই। দেশৰ শৌৰ্য-বীৰ্যসম্পন্ন অতীত সোঁৱৰণৰ জৰিয়তে জাতিৰ প্ৰাণত স্বদেশ চেতনা জাগ্ৰত কৰিবৰ বাবে ৰচনা কৰা বিনন্দ চন্দ্ৰ বৰুৱাৰ 'শৰাইঘাট'

---

২। শ্মশান, 'শঙ্খধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৩২
৩। গড়গাঁও, 'প্ৰতিধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮১
৪। নতুন সাজত গড়গাঁও, 'বিয়লি বেলাৰ কবিতা', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১৫৯

এইক্ষেত্ৰত অনন্য। অন্যহাতে মহাকাব্যিক চেতনাৰে ৰচিত বিনন্দ চন্দ্ৰ বৰুৱাৰ অন্য এখন পূৰ্ণাঙ্গ নাটক হ'ল 'পাথ-সাৰথি'। দেশৰ জনগণৰ প্ৰাণত এক আৰ্দশাত্মক জীৱন জীজ্ঞাসা সৃষ্টিৰে স্বদেশৰ মঙ্গল কামনা কৰা এক মহৎ কৰ্ম। ভাৰতীয় দৰ্শনৰ প্ৰতি আনুগত্য প্ৰকাশ, গীতাৰ কৰ্মযোগৰ মহত্ব বৰ্ণন, ভক্তিধৰ্মৰ মহিমা আৰু জীৱৰ মুক্তি নাটকখনিত প্ৰকাশ পোৱা এই সকলোবিলাক স্বদেশপ্ৰেমৰে নামান্তৰ। অসম বুৰঞ্জীৰ অনুপ্ৰেৰণাৰে দেশৰ জনগণক স্বদেশপ্ৰেমৰ মন্ত্ৰেৰে অনুপ্ৰাণিত কৰি অহা 'শৰাইঘাট' আৰু মহাভাৰতীয় দৰ্শনেৰে 'পাৰ্থ-সাৰথি' দুয়োখনি নাটক স্বদেশপ্ৰেম প্ৰকাশত বৰুৱাৰ অমৰ সৃষ্টি।

চতুৰ্থ অধ্যায়ত বিনন্দ চন্দ্ৰ বৰুৱাৰ শিশু সাহিত্যত প্ৰকাশিত স্বদেশপ্ৰেম বিশ্লেষণ কৰা হৈছে। দেখা গ'ল শিশু সাহিত্যৰাজি গুৰুত্বপূৰ্ণ বিষয়বস্তুৰে সমৃদ্ধশালী। দেশৰ ধৰণীস্বৰূপ শিশুসকলৰ প্ৰাণত স্বদেশপ্ৰেমৰ বীজ ৰোপণ কৰিবলৈ কেতিয়াবা কাহিনীৰ ছলেৰে, কেতিয়াবা গল্পৰ ছলেৰে নিজ দেশৰ দেশৰ বীৰ-বীৰাঙ্গনাসকলৰ কাহিনী সন্নিৱেশ আৰু আদৰ্শ স্থাপনৰ মহৎ উদ্দেশ্য পৰিলক্ষিত হয়। এইক্ষেত্ৰত বিনন্দ চন্দ্ৰ বৰুৱাৰ শিশু সাহিত্যৰাজিৰ বিষয়বস্তু নিৰ্বাচন অত্যন্ত সুদূৰপ্ৰসাৰী। শিশু উপযোগী তথ্য সংযোগ, স্বদেশৰ প্ৰতি গভীৰ অনুৰাগ সৃষ্টি আৰু স্বদেশৰ মহৎ ঐতিহ্যৰ প্ৰতি শিশুসকলক অনুৰক্ত কৰি গঢ় দিয়াৰ প্ৰবল চেতনা পৰিলক্ষিত হয়। লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু কৰ্ম, অসমৰ কৃতবিদ্য লোকৰ জীৱন আৰু কৰ্মৰ জৰিয়তে স্বদেশ চেতনা জাগ্ৰত কৰাৰ প্ৰচেষ্টা লক্ষ্য কৰা যায়। তাৰ উপৰিও শিশুৰ মনত আকৰ্ষণ বৃদ্ধি কৰিবৰ বাবে উদ্দীপনাময়ী নাটকীয় বচন ভংগীৰ প্ৰয়োগ, বিবিধ নীতিকথাৰ সংযোগেৰে বৰুৱাৰ শিশু সাহিত্যলানিত প্ৰকাশিত স্বদেশপ্ৰেম অনুকৰণীয় আৰু অত্যন্ত গুৰুত্বপূৰ্ণ।

পঞ্চম অধ্যায়ত বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধ সাহিত্যত প্ৰকাশিত স্বদেশপ্ৰেম বিচাৰ বিশ্লেষণ কৰা হৈছে। দেখা গ'ল বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধ সাহিত্য বহুধা বিভক্ত। বিষয়বস্তু অনুযায়ী পাঁচ ভাগত বিভক্ত প্ৰবন্ধৰাজি ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ। চিন্তাপ্ৰসূত তথ্যৰ সন্নিৱেশ, গুৰুত্বপূৰ্ণ মতাদৰ্শ স্থাপনৰ প্ৰচেষ্টা, সংস্কাৰকামী মনোভাৱ প্ৰকাশ, মাতৃভাষাৰ গুৰুত্ব আৰু মাতৃভাষাৰ সাহিত্য আৰু জাতীয় সংহতি ইত্যাদি বিভিন্ন দিশৰ জৰিয়তে প্ৰবন্ধৰাজিত সুতীব্ৰ ৰূপত স্বদেশপ্ৰেম প্ৰৱাহিত হৈ আছে। প্ৰবল আশাবাদৰ প্ৰকাশ বৰুৱাৰ প্ৰবন্ধৰাজিত প্ৰকাশিত স্বদেশপ্ৰেমৰ অন্য এক উজ্জ্বল দিশ। অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ শৈক্ষিক আৰু ৰাজনৈতিক দিশৰ মেটমৰা তথ্য, চিন্তাপ্ৰসূত মতাদৰ্শ, প্ৰগতিশীল চিন্তাসমূহ বৰুৱাৰ

প্ৰবন্ধসমূহত প্ৰকাশিত সুগভীৰ স্বদেশপ্ৰেমৰ স্বাভাৱিক সৌন্দৰ্য।

ষষ্ঠ অধ্যায়ত বিনন্দ চন্দ্ৰ বৰুৱাৰ আত্মজীৱনীমূলক ৰচনা 'অতীতৰ ৰিং' আৰু বৈষ্ণৱ পদাৱলীৰ আৰ্হিত ৰচনা কৰা পুথিত স্বদেশপ্ৰেম বিচাৰ কৰা হৈছে। 'অতীতৰ ৰিং' লেখকৰ জীৱন কথাৰ প্ৰথম অংশ। বৰুৱাৰ অন্যান্য ৰচনাৰাজিত, বিশেষকৈ কবিতা, নাটক, শিশু সাহিত্য ইত্যাদিত যিদৰে স্বদেশপ্ৰেম প্ৰকাশক বিষয়বস্তুৰ প্ৰত্যক্ষ বৰ্ণন আছে ঠিক তেনেদৰে 'অতীতৰ ৰিং'ত তেনে প্ৰত্যক্ষ বৰ্ণন দেখিবলৈ পোৱা নাযায়। অৱশ্যে তাৰ ৰেঙণি যিকোনো দিশতে স্পষ্ট হৈ আছে। বৰুৱাৰ জীৱন কথাৰ বৰ্ণনাৰ মাজেৰে প্ৰত্যক্ষ কৰা যায় বৰুৱাৰ সমসাময়িক সমাজৰ সামাজিক, সাংস্কৃতিক, শৈক্ষিক জগতৰ বৰ্ণন, বৰেণ্যজনৰ অৱদান, লোক-সংস্কৃতিৰ বৰ্ণময় ৰূপ ইত্যাদি। কুৰি শতিকাৰ প্ৰথম তিনিটা দশকৰ সমাজ জীৱনৰ দলিলস্বৰূপ 'অতীতৰ ৰিং'ত প্ৰকাশিত অতীত প্ৰীতি আৰু ঠাই নামৰ ঐতিহ্য বিচাৰ স্বদেশপ্ৰেমৰে নামান্তৰ। মাতৃভাষাপ্ৰীতি আৰু সমন্বয়ৰ বাৰ্তাৰে বৰুৱাৰ 'অতীতৰ ৰিং'ত প্ৰকাশিত স্বদেশপ্ৰেম সুগভীৰ।

বিনন্দ চন্দ্ৰ বৰুৱাৰ সমগ্ৰ ৰচনাৰাজিৰ ভিতৰত 'বৰ নামঘৰৰ মাহাত্ম্য' বিনন্দ চন্দ্ৰ বৰুৱাৰ অন্যতম এক সৃষ্টি। বৈষ্ণৱ পদাৱলীৰ আৰ্হিত ৰচিত এই পুথি বৰুৱাৰ আধ্যাত্মিক সাহিত্যৰ উৎকৃষ্ট উদাহৰণ। অসমৰ সমাজ জীৱনৰ দুজনা গুৰু শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ গুণানুকীৰ্তন, বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে, সত্ৰ-নামঘৰ স্থাপন, কৃষ্ণ ভক্তিৰ মাহাত্ম্য আৰু মাধৱদেৱ স্থাপিত 'ঢেকীয়াখোৱা বৰ নামঘৰ'ৰ মাহাত্ম্য প্ৰকাশ এইক্ষেত্ৰত উল্লেখযোগ্য। ইয়াৰ জৰিয়তে অসমীয়া সমাজ জীৱনত বা আধ্যাত্মিক জীৱনত বৰ নামঘৰৰ স্থান আৰু দেশৰ মহৎ ঐতিহ্যৰ প্ৰতি গভীৰ শ্ৰদ্ধা প্ৰকাশ প্ৰকট হৈ উঠিছে। জাতীয় জীৱনৰ দুজনা গুৰুৰ প্ৰতি প্ৰতিফলিত শ্ৰদ্ধাৰ্ঘ স্বদেশপ্ৰেমৰ নিৰ্দশন ৰূপে বিশ্লেষণ কৰা হৈছে। জাতিৰ প্ৰাণত জাগৰণ সৃষ্টি কৰি দেশপ্ৰেম জগাই আত্মশুদ্ধিৰ পৰিৱেশ সৃষ্টি কৰাৰ ক্ষেত্ৰত প্ৰভাৱ অপৰিসীম। এনেদৰে বিচিত্ৰৰূপে প্ৰকাশিত স্বদেশপ্ৰেমে বৰুৱাৰ সাহিত্যক প্ৰদান কৰিছে এক সুকীয়া মাত্ৰা।

উল্লেখযোগ্য যে বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেম অধ্যয়ন এক বিস্তৃত বিষয়। প্ৰণালীবদ্ধ আৰু তথ্যপূৰ্ণ অধ্যয়নৰ জৰিয়তে বিচাৰ-বিশ্লেষণ কৰি দেখা গ'ল, সাহিত্যিক বিনন্দ চন্দ্ৰ বৰুৱা আৰু বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰাজি স্বদেশপ্ৰেমৰ একেটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি। অধ্যয়নত স্পষ্ট যে

বৰুৱাৰ সমগ্ৰ ৰচনাৰাজিৰ মূল চলিকা শক্তি জাগ্ৰত স্বদেশপ্ৰেম। স্বদেশ আৰু স্বজাতিৰ সৰ্বতোপ্ৰকাৰৰ উৎকৰ্ষ সাধনৰ প্ৰচেষ্টা বৰুৱাৰ সাহিত্যৰাজিত বিবিধ ৰূপত অতি গভীৰভাৱে প্ৰোথিত হৈ আছে। এই সন্দৰ্ভত সমগ্ৰ সাহিত্যৰাজিক সাঙুৰি বিচাৰ-বিশ্লেষণ আজিলৈকে হোৱা দেখা নগ'ল।

বিনন্দ চন্দ্ৰ বৰুৱাৰ সমগ্ৰ সাহিত্যৰাজি স্বদেশপ্ৰেমৰ অমল উৎস। অসমীয়া সাহিত্য বুৰঞ্জীত সেয়ে বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰাজিৰ ঐতিহাসিক মূল্য অনেক আৰু সমাজ জীৱনত, বৌদ্ধিক স্তৰত এই সাহিত্য সদা প্ৰাসংগিক। আমাৰ গৱেষণাৰ যোগেদি অসমীয়া স্বদেশপ্ৰেমমূলক সাহিত্যত বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত আজিলৈকে উদ্‌ঘাটন নোহোৱা বহুবোৰ দিশ উদঘাটন কৰি সম্যক মূল্যায়নৰ প্ৰচেষ্টা কৰা হ'ল।

## সিদ্ধান্ত ঃ

'বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেম' এই বিষয়টিৰ পদ্ধতিগত অধ্যয়নৰ জৰিয়তে লাভ কৰা তথ্যৰ ভিত্তিত তলত উল্লেখ কৰা সিদ্ধান্তসমূহ এনেধৰণৰ ঃ

(১) কেৱল কবিতাতেই নহয়, বিনন্দ চন্দ্ৰ বৰুৱাৰ সমগ্ৰ সাহিত্যৰাজিতেই স্বদেশপ্ৰেম অত্যন্ত ক্ৰিয়াশীল ৰূপত দেখা গ'ল।

(২) কেৱল যে অতীত ৰোমন্থনৰ জৰিয়তে দেশৰ বীৰ-বীৰাঙ্গণা, ৰজা-মহাৰজাৰ বীৰত্বপূৰ্ণ কাহিনী বৰ্ণনাই স্বদেশপ্ৰেম প্ৰকাশক হ'ব পাৰে এনে নহয়। অৱশ্যে অতীত ৰোমন্থন বৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেম প্ৰকাশৰ অন্যতম এটি শক্তিশালী দিশ।

(৩) প্ৰকৃতি জগতৰ পৰা আধ্যাত্মিক জগত, ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতিৰ অন্তৰ্নিহিত অনেক সৰু-বৰ কাহিনী, বৰ্ণনা, তথ্য, মতাদৰ্শৰ জৰিয়তেও স্বদেশপ্ৰেম সুতীব্ৰ ৰূপত প্ৰকাশ পাব পাৰে।

(৪) মাতৃভাষাপ্ৰীতি আৰু জাতীয় সংহতি ৰক্ষাত মাতৃভাষা সাহিত্যৰ গুৰুত্ব বৰুৱাৰ

সাহিত্যত প্ৰতিফলিত স্বদেশ প্ৰেম প্ৰকাশক অন্যতম এটি গুৰুত্বপূৰ্ণ দিশ।

(৫) নৱবৈষ্ণৱ ধৰ্মৰ প্ৰতি গভীৰ আনুগত্য বৰুৱাৰ সাহিত্যত প্ৰকাশিত স্বদেশপ্ৰেমৰ অন্য এক বলিষ্ঠ প্ৰকাশ।

(৬) লোকজীৱন আৰু লোক সাহিত্য-সংস্কৃতিৰ প্ৰতি প্ৰকাশিত নিষ্ঠা আৰু আন্তৰিকতাৰ প্ৰতিফলনে বৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেম প্ৰকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখা গ'ল।

(৭) স্বদেশৰ প্ৰতি গভীৰ অনুৰাগ বৰুৱাৰ চিন্তা-চেতনা আৰু কৰ্ম— এই সকলোতে গভীৰৰপৰা গভীৰতালৈ যেন ধাৱিত হৈছে।

(৮) ভাবৰ লগত মিলাকৈ শব্দ সংযোজনে আনি দিয়া সুমধুৰ ধ্বনী ব্যঞ্জনাই তেওঁৰ সাহিত্যত বিশেষকৈ কবিতাত স্বদেশপ্ৰেমৰ ভাব দৃঢ় কৰিছে।

(৯) আঞ্চলিক চেতনাৰে উদ্ধুদ্ধ বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত প্ৰকাশিত স্বদেশপ্ৰেম জাতীয়তাবোধৰ মাজেৰে বিশ্বভাৱনাৰ নিৰ্দেশনৰো সুন্দৰ উদাহৰণ।

(১০) সুস্থ আশাবাদ বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰাজিত প্ৰতিফলিত অন্যতম এটি গুৰুত্বপূৰ্ণ দিশ।

(১১) স্বদেশপ্ৰেম তেওঁৰ সাহিত্যৰ মেৰুদণ্ড, এই গুণ আঁতৰাই চালে বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যই আকৰ্ষণ হেৰুৱাব।

আলোচনাৰ পৰা দেখা গ'ল যে, বিনন্দ চন্দ্ৰ বৰুৱাৰ সমসাময়িক কবি সাহিত্যিকসকলৰ সাহিত্যত প্ৰতিফলিত স্বদেশপ্ৰেমতকৈ বৰুৱাৰ সাহিত্যৰাজিত প্ৰতিফলিত স্বদেশপ্ৰেম অত্যন্ত গভীৰ আৰু বিস্তৃত। স্বদেশপ্ৰেম বৰুৱাৰ সমস্ত সাহিত্যৰ কেন্দ্ৰীয় বিষয়বস্তু হৈ ধৰা দিছে। সেয়ে এই ক্ষেত্ৰত বিনন্দ চন্দ্ৰ বৰুৱাৰ স্থান একক আৰু অনন্য। ইয়াৰ মূলতেই হৈছে স্বদেশপ্ৰেমৰ ক্ষেত্ৰত বৰুৱাৰ একনিষ্ঠ সাধনা।

**পৰৱৰ্তী গৱেষণাৰ বাবে পথৰ নিৰ্দেশ ঃ**

'বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেম' শীৰ্ষক গৱেষণা কৰ্ম সম্পন্ন কৰোঁতে দেখা দিয়া কিছু নতুন দিশ পৰৱৰ্তী গৱেষণা কৰ্মৰ সহায়ক হ'ব বুলি ঠাৱৰ কৰা হৈছে। যেনে —

(১) **বিনন্দ চন্দ্ৰ বৰুৱাৰ স্বদেশপ্ৰেমমূলক কবিতা আৰু অন্য ভাষাৰ স্বদেশপ্ৰেমমূলক কবিতাৰ তুলনামূলক অধ্যয়ন ঃ** কোনো এজন লেখকৰ লেখাৰ পূৰ্ণ মূল্যায়নৰো অন্যতম এক পদ্ধতি এনে তুলনামূলক অধ্যয়ন। গতিকে এই বিষয়টি অন্যতম এটি গুৰুত্বপূৰ্ণ বিষয় হিচাপে ঠাৱৰ কৰা হৈছে।

(২) **অসমীয়া শিশু সাহিত্য জগতত বিনন্দ চন্দ্ৰ বৰুৱাৰ শিশু সাহিত্যৰ স্থান ঃ** বহু লেখকৰ শিশু সাহিত্য পুথি আজিও অজ্ঞাত অৱস্থাতে আছে। জনপ্ৰিয়তা লাভ কৰিব পৰাকৈ প্ৰচাৰ আৰু প্ৰসাৰ অত্যন্ত সীমিত। অসমীয়া শিশু সাহিত্য জগতলৈ বিনন্দ চন্দ্ৰ বৰুৱাই আগবঢ়োৱা অৱদান সন্দৰ্ভত আজিলৈকে সঠিক মূল্যায়ন নোহোৱা পৰিপ্ৰেক্ষিতত এনে গৱেষণাৰ প্ৰাসংগিকতা উত্থাপন কৰা হ'ল।

(৩) **বিনন্দ চন্দ্ৰ বৰুৱাৰ ৰচনাৰাজিত প্ৰকাশিত আধ্যাত্মিক চেতনা ঃ** আধ্যত্মিকতা এক শক্তি। সেই শক্তি বিনন্দ চন্দ্ৰ বৰুৱাৰ সমগ্ৰ ৰচনাৱলীতেই বিয়পি আছে। সেয়ে বিনন্দ চন্দ্ৰ বৰুৱাৰ আধ্যাত্মিক চেতনা বিচাৰ-বিশ্লেষণ পৰৱৰ্তী গৱেষণাৰ থল হিচাপে চিহ্নিত কৰা হৈছে।

(৪) **বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত সমসাময়িক সমাজ ঃ** সাহিত্যৰ মাজেদি প্ৰতিফলিত সমাজ ব্যৱস্থা অধ্যয়ন গুৰুত্বপূৰ্ণ বিষয়। ইয়াৰ যোগেদি অতীত আৰু বৰ্তমানৰ তুলনামূলক অধ্যয়ন সম্ভৱপৰ। সেই দৃষ্টিত বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত সমসাময়িক সমাজ অধ্যয়ন গুৰুত্বপূৰ্ণ বিষয় হিচাপে নিৰ্ণয় কৰা হৈছে।

— এনেদৰেই 'বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত প্ৰকাশিত স্বদেশপ্ৰেম বিচাৰ-বিশ্লেষণ কৰা হৈছে। বিচাৰ-বিশ্লেষণৰ অন্তত প্ৰাপ্ত তথ্যৰ ভিত্তিত সিদ্ধান্ত আগবঢ়োৱা হৈছে আৰু সাম্ভাব্য গৱেষণা কৰ্মৰ পথৰ নিৰ্দেশেৰে গৱেষণা কৰ্ম সমাপ্তি কৰা হৈছে।

* * * * *